# ইফিচীয়া বিলাকৰ প্ৰতি পত্ৰ

১ ১খ্ৰীষ্ট যীচুৰ পাঁচনি পৌলৰ তৰফৰ পৰা অভিবাদন। মই
এগৰাকী পাঁচনি কিয়নো এয়ে ঈশ্বৰৰ ইচ্ছা।
ইফিচত থকা খ্ৰীষ্ট যীচুত বিশ্বাস কৰা পবিত্ৰ লোক সকলৰ
সমীপলৈ।[a]

২আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা
তোমালোকলৈ অনুগ্ৰহ আৰু শান্তি হওঁক।

### খ্ৰীষ্টত আত্মিক আশীৰ্ব্বাদ সমূহ

৩আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰৰ প্ৰশংসা হওঁক। খ্ৰীষ্টত,
ঈশ্বৰে আমাক স্বৰ্গত সকলো আত্মিক আশীৰ্ব্বাদ সমূহ
কৰিছে। ৪জগত স্থাপন হোৱাৰ পূৰ্বে, খ্ৰীষ্টত তেওঁ আমাক
মনোনীত কৰিলে। তেওঁৰ পবিত্ৰ লোক হবৰ বাবে তেওঁ
আমাক প্ৰেমেৰে মনোনীত কৰিলে, যাতে আমি নিষ্কলঙ্ক
হিচাপে তেওঁৰ সন্মূখত থিয় দিব পাৰো। ৫আৰু জগত স্থাপন
হোৱাৰ পূৰ্ব্বেই, ঈশ্বৰে যীচু খ্ৰীষ্টৰ যোগেদি আমাক তেওঁৰ
সন্তান কৰাৰ সিদ্ধান্ত কৰিলে। এয়ে ঈশ্বৰৰ ইচ্ছা আছিল
আৰু এনে কৰিবৰ বাবে ঈশ্বৰ সন্তোষ্ট হৈছে। ৬আৰু এনে
অনুগ্ৰহ স্বৰূপ ধনৰ দ্বাৰাই ঈশ্বৰ প্ৰশংসিত হয়। ঈশ্বৰে এই
অনুগ্ৰহ আমালৈ বিনামূলীয়াকৈ দান কৰিলে। তেওঁ প্ৰেম
কৰা খ্ৰীষ্টত, আমালৈ এই অনুগ্ৰহ দান কৰিলে।

৭খ্ৰীষ্টত আমি মুক্তি লাভ কৰিলো, তেওঁৰ তেজৰ বলি
দানৰ যোগেদি। ঈশ্বৰৰ অপাৰ অনুগ্ৰহৰ বলত আমি পাপৰ
পৰা ক্ষমা লাভ কৰিলো। ৮ঈশ্বৰে সেই অনুগ্ৰহ আমালৈ
বিনামূলীয়াকৈ আৰু সম্পূৰ্ণ ৰূপে দান কৰিলে। সকলো জ্ঞান
আৰু বিবেকত ৯তেওঁ আমাক তেওঁৰ গোপন পৰিকল্পনা
জানিবলৈ দিলে।এয়ে ঈশ্বৰৰ ইচ্ছা আছিল, আৰু তেওঁ
ইয়াক খ্ৰীষ্টৰ যোগেদি কৰিবৰ বাবে পৰিকল্পনা কৰিলে।
১০ঈশ্বৰৰ লক্ষ্য এয়ে, যে উচিত সয়ম উপস্থিত হলে তেওঁ
নিজৰ পৰিকল্পনা সম্পূৰ্ণ কৰিব। তেওঁ পৰিকল্পনা কৰিলে
যে খ্ৰীষ্টক মূঢ় কৰি, স্বৰ্গ আৰু পৃথিৱীত থকা সকলোকে
এক গোট কৰিব।

১১খ্ৰীষ্টত আমাক ঈশ্বৰৰ লোক হিচাপে মনোনীত
কৰা হ'ল। ঈশ্বৰে আমাক তেওঁৰ লোক কৰিবৰ বাবে
ইতিপূৰ্ব্বেই পৰিকল্পনা কৰিছিল, কিয়নো এনে দৰে
হোৱাতো তেওঁ বিচাৰিছিল। আৰু তেওঁ কৰা সিদ্ধান্ত আৰু
মন্ত্ৰণা অনুসৰে সকলোবিলাক সাধন কৰোঁতা তেওঁৰেই।
১২আমি যিহূদী সকলেই খ্ৰীষ্টত প্ৰথমে আশা কৰিছিলো।
আৰু ঈশ্বৰৰ মহিমা অনুসৰি তেওঁৰ উদ্দেশ্যে আনিব পাৰো
সেই অভিপ্ৰায়েৰে আমাক মনোনীত কৰা হল। ১৩এই
বিষয়টো তোমালোকৰ ক্ষেত্ৰতো একে। তোমালোকে সত্য
বাক্য শুনিবলৈ পালা, ঈশ্বৰে তোমালোকক কেনে দৰে
ৰক্ষা কৰিব, সেই সম্বন্ধীয় শুভবাৰ্ত্তা। তাতে তোমালোকে
সেই শুভবাৰ্ত্তা শুনিবলৈ পাই, খ্ৰীষ্টত বিশ্বাস কৰিলা।
আৰু খ্ৰীষ্টত, ঈশ্বৰৰ অঙ্গীকৃত পবিত্ৰ আত্মা দান কৰাৰ
দ্বাৰাই মোহৰ মৰা হলা। ১৪আত্মা হৈছে আমালৈ তেওঁ
আগবঢ়োৱা প্ৰথমটো কিস্তি যিয়ে এই বিষয়টো নিশ্চিত
কৰে যে ঈশ্বৰে আমাৰ বাবে সাঁচি ৰখা সকলোবিলাক বিষয়
আমি লাভ কৰিবলৈ সক্ষম হম। তাতে আমি তেওঁৰ লোক
হিচাপে পৰিগণিত হোৱাৰ দ্বাৰাই সম্পূৰ্ণ স্বাধীনতা উপভোগ
কৰিবলৈ সক্ষম হম। ইয়াৰ দ্বাৰাই তেওঁৰ প্ৰতাপৰ প্ৰশংসা
আমাৰ সকলোৰে দ্বাৰাই হওঁক।

### পৌলৰ প্ৰাৰ্থনা

১৫–১৬আৰু এই কাৰণে মই সদায় তোমালোকক সোঁৱৰণ
কৰি ঈশ্বৰক তোমালোকৰ বাবে ধন্যবাদ দিওঁ। প্ৰভু যীচুৰ
প্ৰতি তোমালোকৰ যি বিশ্বাস আৰু ঈশ্বৰৰ লোকসকললৈ
তোমালোকৰ যি প্ৰেম তাক শুনাৰে পৰা মই ইয়াক কৰি
আহিছো। ১৭মই সদায়ে মহান আৰু প্ৰতাপময় পিতৃৰ আগত
প্ৰাৰ্থনা কৰোঁ, যি জন আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ঈশ্বৰ। মোৰ
প্ৰাৰ্থনা এয়ে যেন তেওঁ তোমালোকক আত্মা দান কৰে, যি
জনে তোমালোকক ঈশ্বৰ বিষয়ৰ সত্যক জানিবলৈ আৰু
তাক বুজিবলৈ সহায় কৰিব, যাতে তোমালোকে তেওঁক
আৰু অধিকৈ জানিব পাৰিবা।

১৮মোৰ প্ৰাৰ্থনা এয়ে যে সত্যক জানিবৰ বাবে ঈশ্বৰে
যেন তোমালোকৰ মন সমূহ মকুলি কৰি দিয়ে। তাতে
তোমালোকে সেই আশাক জানিবা, যাক পাবৰ বাবে তেওঁ
আমাক মনোনীত কৰিলে। তোমালোকে জানিবা যে যি
আশীৰ্ব্বাদ ঈশ্বৰে তেওঁৰ পবিত্ৰ লোকসকলৰ বাবে প্ৰতিজ্ঞা
কৰিছিল সেয়ে বহুমূলীয়া আৰু উত্তম। ১৯আৰু তোমালোকে
জানিবা যে যি সকলে বিশ্বাস কৰিলে তেওঁবিলাকৰ অৰ্থে
ঈশ্বৰৰ শক্তি অতি মহান। এয়ে সেই একে মহা শক্তি ২০যাৰ
দ্বাৰাই তেওঁক খ্ৰীষ্টক মৃতবিলাকৰ মাজৰ পৰা তুলিছিল আৰু
স্বৰ্গীয় ঠাই সমূহত নিজৰ সোঁহাতে বহুৱাইছিল। ২১খ্ৰীষ্টক
তেওঁ সকলো আধিপত্য, ক্ষমতা, পৰাক্ৰম, আৰু প্ৰভুত্বৰ
ওপৰত শাসনকৰ্ত্তা পাতিলে। তেওঁ তেওঁক ইহলোক আৰু
পৰলোকত উল্লেখ কৰা সকলোৰে ওপৰৰো ওপৰ কৰিলে।
২২ঈশ্বৰে সকলোবিলাক বিষয় খ্ৰীষ্টৰ বশীভূত কৰিলে আৰু
মণ্ডলীৰ অৰ্থে তেওঁকেই সকলোৰে মূৰ কৰিলে। ২৩মণ্ডলী
হৈছে খ্ৰীষ্টৰ শৰীৰ। সেয়ে তেওঁৰে পৰিপূৰ্ণ। তেওঁ সকলোকে
সকলো দিশত পূৰ্ণ কৰোঁতা পূৰ্ণস্বৰূপ।

[a] **১:১ ইফিচীয়া পত্ৰ** কোনো কোনো গ্ৰীক প্ৰতিলিপিত "ইফিচীয়া পত্ৰ" বুলি উল্লেখ কৰা হোৱা নাই।

## মৃত্যুৰ পৰা

**২** ১আগতে তোমালোক তোমালোকৰ পাপ আৰু ঈশ্বৰ বিৰুদ্ধী কাৰ্য্য সমূহৰ বাবে আত্মিক ভাবে মৰি আছিলা। ২হয়, আগেয়ে তোমালোকৰ জীৱন সমূহ সেই পাপবোৰেৰে পৰিপূৰ্ণ আছিল। জগতৰ নিয়ম অনুসৰি[a], জগত যেনেকৈ চলি আছিল তোমালোকো তেনেকৈ চলিছিলা। আৰু যি সকলে ঈশ্বৰৰ বাধ্য হবৰ বাবে অমান্তি হল তেওঁবিলাকত এতিয়া সেই একে আত্মাই কাৰ্য্য কৰি আছে। ৩আগেয়ে আমিও মাংসৰ আৰু মনৰ ইচ্ছা পূৰ্ণ কৰিবলৈ, তেনে আচৰণ কৰিছিলো। আমাৰ মাংস আৰু মনে বিচৰা সকলো বিলাক কাৰ্য্য আমি কৰিছিলো। পাছে আমিও সেই দৰে আচৰণ কৰাত, আন সকলোৰ নিচিনা, ঈশ্বৰৰ ক্ৰোধৰ সন্মূখীন হোৱাৰ যোগ্য আছিলো।

৪কিন্তু ঈশ্বৰ দয়াত মহান, আৰু তেওঁ আমাক অতিশয় প্ৰেম কৰিছিল। ৫আমি তেওঁৰ বিৰুদ্ধে কৰা কাৰ্য্য সমূহৰ বাবে আমি আত্মিক ভাৱে মৰি আছিলো। কিন্তু খ্ৰীষ্টে সৈতে তেওঁ আমাক নতুন জীৱন দান কৰিলে। (তোমালোক ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই পৰিত্ৰাণ পালা)। ৬হয়, আমি যিহেতু খ্ৰীষ্ট যীচুৰ অংশ আছিলো যাৰ বাবে ঈশ্বৰে আমাক মৃত্যুৰ পৰা জীয়ালে আৰু স্বৰ্গীয়া ঠাইবোৰত তেওঁৰে সৈতে আমাক বহিবলৈ দিলে। ৭ভাবী যুগত নিজৰ অনুগ্ৰহৰূপ ধন স্পষ্টকৈ প্ৰকাশ পাবলৈ, খ্ৰীষ্ট যীচুত থকা যি আমি আমালৈ তেওঁৰ দয়া দেখুৱালে।

৮মই এইটো বুজাব বিচাৰিছো যে তোমালোকে বিশ্বাস কৰা হেতুকে অনুগ্ৰহৰ দ্বাৰাই পৰিত্ৰাণ পালা। তোমালোকে নিজকে নিজে ৰক্ষা কৰা নাই, এয়া ঈশ্বৰৰহে দান। ৯তোমালোকে কৰা কৰ্ম্মৰ দ্বাৰাই তোমালোকে পৰিত্ৰাণ লাভ কৰা নাই, সেয়েহে ইয়াত শ্লাঘা কৰাৰ কোনো কাৰণ নাই। ১০আমি যেনে তেনেকৈয়ে ঈশ্বৰে আমাক নিৰ্ম্মাণ কৰিলে। খ্ৰীষ্ট যীচুত, ঈশ্বৰে আমাক নতুন লোক কৰিলে যাতে আমি তেওঁ আমাৰ বাবে ইতিমধ্যে কৰা পৰিকল্পনা অনুসাৰে সৎকৰ্ম্ম কৰি যাব পাৰোঁ।

## খ্ৰীষ্টত এক হোৱা

১১তোমালোক যিহূদী হিচাপে জন্ম গ্ৰহণ কৰা নাছিলা। তোমালোক এনে লোক হয় যাক যিহূদী সকলে “অচুন্নৎ” বুলি সম্বোধন কৰে। যি সকল যিহূদীয়ে তোমালোকক “অচুন্নৎ” বুলি সম্বোধন কৰে তেওঁবিলাকে নিজকে “চুন্নৎ” বুলি সম্বোধন কৰে।(তেওঁবিলাকে নিজ নিজ শৰীৰলৈ কৰা যি চুন্নৎ সেয়ে তেওঁবিলাকে নিজৰ হাতে নিজ নিজৰ শৰীৰৰ অৰ্থে কৰে।) ১২এই কথা মনত ৰাখিবা যে আগতে তোমালোক খ্ৰীষ্টৰ অবিহনে আছিলা। তোমালোক ইস্ৰায়েল ৰাজ্যৰ বাহিৰৰ আছিলা, আৰু ঈশ্বৰে যি অঙ্গীকাৰযুক্ত[b] প্ৰতিজ্ঞা তেওঁৰ মনোনীত লোকসকলৰ অৰ্থে কৰিছিল তাত তোমালোকে জনা নাছিলা। তোমালোকৰ কোনো আশা নাছিল, আৰু তোমালোকে ঈশ্বৰক জনা নাছিলা। ১৩হয়, এটা সময়ত তোমালোক ঈশ্বৰৰ পৰা দূৰ আছিল, কিন্তু এতিয়া খ্ৰীষ্ট যীচুত, তেওঁৰ ওচৰলৈ অনা হৈছা। তোমালোকক খ্ৰীষ্টৰ তেজৰ দ্বাৰাই ঈশ্বৰৰ ওচৰ কৰা হল।

১৪এতেকে এতিয়া খ্ৰীষ্টই হৈছে আমাৰ শান্তিৰ কাৰণ। তেওঁ আমাক যিহূদী লোক কৰিলে আৰু তোমালোক যি যিহূদী নোহোৱা তোমালোক এক লোক। ঘৃণা ভাৱৰ এখন দেৱালে আমাক পৃথক কৰি ৰাখিছিল, কিন্তু খ্ৰীষ্টই সেই দেৱাল ভাঙিলে। তেওঁ নিজ শৰীৰ দিয়াৰ দ্বাৰাই, ১৫খ্ৰীষ্টই সেই বহু আজ্ঞাসমূহৰূপ বিধান লুপ্ত কৰিলে। তেওঁৰ উদ্দেশ্য আছিল উভয় পক্ষকে তেওঁত এক কৰোৱা। আৰু উভয় পক্ষকে মিলন কৰিবৰ অৰ্থে তেওঁ এনে কৰিলে। ১৬খ্ৰীষ্টীই ক্ৰোচৰ দ্বাৰাই উভয় পক্ষৰ মাজৰ প্ৰভেদ দেৱাল ভাঙি পেলালে। আৰু যেতিয়া তেওঁবিলাক এক-দেহ হল, তেতিয়া তেওঁ দুয়ো পক্ষকে ঈশ্বৰৰ কাষলৈ ঘুৰাই আনিবলৈ ইচ্ছা কৰিলে। আৰু নিজে ক্ৰুচত মৃত্যু হোৱাৰ দ্বাৰাই তেওঁ ইয়াক কৰিলে।

১৭ঈশ্বৰৰ পৰা আঁতৰত থকা যি অযিহূদী তোমালোক, তোমালোকৰ আগত খ্ৰীষ্টই শান্তিৰ বাৰ্ত্তা প্ৰচাৰ কৰিলে। আৰু যি সকল ঈশ্বৰৰ কাষত আছিল তেওঁলোকলৈও তেওঁ সেই শান্তিৰ বাৰ্ত্তা আনিলে। ১৮হয়, খ্ৰীষ্টৰ দ্বাৰাই আমি এক আত্মাৰ দ্বাৰাই পিতৃৰ কাষলৈ অহাৰ অধিকাৰ লাভ কৰিলো। ১৯এতেকে এতিয়া অযিহূদী যি তোমালোক তোমালোক অতিথি বা প্ৰবাসী নোহোৱা, কিন্তু ঈশ্বৰৰ পবিত্ৰ লোকসকল সহবাসী হৈছা। তোমালোক ঈশ্বৰৰ পৰিয়ালৰ লোক হৈছা। ২০তোমালোক বিশ্বাসী সকল ঈশ্বৰৰ নিজ গৃহ স্বৰূপ। এই গৃহ পাঁচনি আৰু ভাৱবাদী সকলৰ ভিত্তিমূলৰ ওপৰত গঁথা হৈছে। আৰু খ্ৰীষ্টই হৈছে এই গৃহৰ প্ৰধান শিলস্বৰূপ।[c] ২১গোটেই গৃহটি খ্ৰীষ্টৰে সৈতে সংলগ্ন হৈ আছে, আৰু তেওঁৰে ইয়াক বৃদ্ধি কৰে আৰু প্ৰভুত পবিত্ৰ মন্দিৰ[d] হবলৈ দিয়ে। ২২আৰু খ্ৰীষ্টত তোমালোক তেওঁৰ আনলোক সকলৰ সৈতে গঁথা হৈছা। তোমালোক এক আবাস হৈ উঠিছা য'ত ঈশ্বৰৰ আত্মা নিবাস কৰে।

[a] **২:২ বেয়া শক্তিসমূহৰ শাসনকৰ্ত্তা** শব্দ শাৰীত উল্লেখ কৰা “চয়তান” শব্দটো চাওক।

[b] **২:১২ অঙ্গীকাৰ** অঙ্গীকাৰ হৈছে ঈশ্বৰে পুৰণি নিয়মৰ তেওঁলোকৰবিলাকৰ সৈতে বিভিন্ন সময়ত কৰা প্ৰতিজ্ঞা সমূহ। শব্দকোষত “চুক্তি” শব্দটো চাওক।

[c] **২:২০ আটাইতকৈ প্ৰয়োজনীয় শিল** আখৰিক অৰ্থত, “চুকৰ শিল।” যিটো প্ৰথম আৰু আটাইকৈ গুৰুত্বপূৰ্ণ শিল. উদাহৰণস্বৰূপে।

[d] **২:২১ মন্দিৰ** ঈশ্বৰৰ গৃহ-সেই ঠাই য'ত ঈশ্বৰৰ লোকবিলাকে তেওঁৰ আৰাধনা কৰে, ইয়াৰ অৰ্থ বিশ্বাসী সকল হৈছে একো একো জন মন্দিৰ স্বৰূপ য'ত ঈশ্বৰ নিজে নিবাস কৰে।

### অযিহূদী লোকসকলৰ প্ৰতি পৌলৰ কাৰ্য্য

৩ ১এই কাৰণে মই, পৌলে, এজন বন্দীয়াৰ কিয়নো
পৰজাতি যি তোমালোক তোমালকৰ কাৰণে মই
যীচু খ্ৰীষ্টৰ পৰিচৰ্যা কৰিছো। ২তোমালোকে নিশ্চয়কৈ
জ্ঞাত যে তোমালোকক সহায় কৰিবৰ উদ্দেশ্যে ঈশ্বৰে
তেওঁৰ অনুগ্ৰহৰ দ্বাৰাই মোক এই পৰিচৰ্যা কৰ্ম্ম দিলে।
৩ঈশ্বৰে তেওঁৰ নিগূঢ় পৰিকল্পনা মোক দেখুওৱাৰ যোগেদি
জানিবলৈ দিলে। মই এই বিষয়ে ইতিমধ্যে কিছু লিখিছো।
৪আৰু মই যি লিখিছো তাক যদি তোমালোকে পঢ়িছা,
তোমালোকে দেখিবলৈ পাবা যে মই খ্ৰীষ্টৰ নিগূঢ়-তত্ব
বুজিব পাৰোঁ। ৫আগৰ কালৰ মানুহবিলাকৰ আগত এই
নিগূঢ়-তত্বৰ কথা কোৱা হোৱা নাছিল। কিন্তু এতিয়া,
আত্মাৰ যোগেদি, ঈশ্বৰে তেওঁৰ পবিত্ৰ পাঁচনি আৰু ভাৱবাদী
সকলৰ আগত প্ৰকাশ কৰিলে। ৬আৰু নিগূঢ়-তত্বটো হৈছে-
শুভবাৰ্ত্তা শুনাৰ যোগেদি, পৰজাতি লোকসকলেও যিহূদী
লোক সকলৰ সৈতে ঈশ্বৰে মনোনীত কৰি ৰখা আশীৰ্বাদৰ
সমূহৰ সহভাগী হব। তেওঁবিলাকো সেই শৰীৰৰে অংশ
হয়, আৰু খ্ৰীষ্ট যীচুৰ দ্বাৰাই ঈশ্বৰে যি প্ৰতিজ্ঞা কৰিছিল
তাৰ সহভাগী হব।

৭ঈশ্বৰৰ যি অনুগ্ৰহৰূপ দান, তাৰ দ্বাৰাই মই শুভবাৰ্ত্তা
ঘোষনা কৰা পৰিচৰ্যাৰ ভাৰ পালো। তেওঁ নিজ শক্তিক
ব্যৱহাৰ কৰাৰ দ্বাৰাই এই অনুগ্ৰহ মোলৈ দান কৰিলে।
৮ঈশ্বৰৰ পবিত্ৰ লোক সকলৰ মাজত মই সৰুতকৈও সৰু।
কিন্তু তেওঁ মোক এই দান দিলে যাতে পৰজাতি সকলৰ
আগত খ্ৰীষ্ট সম্বন্ধীয় যি শুভবাৰ্ত্তা তাক প্ৰচাৰ কৰো।
এই প্ৰতাপৰূপ ধন সম্পূৰ্ণকৈ বুজিবলৈ অতি গভীৰ।
৯তাতে ঈশ্বৰে তেওঁৰ নিগূঢ়-তত্ব সম্বন্ধীয় যি পৰিকল্পনা
তাক সকলোৰে আগত কোৱাৰ কাৰ্য্যভাৰ মোক দিলে।
সেই নিগূঢ়-তত্ব তেওঁত আদি কালৰে পৰা লুকুৱাই ৰখা
হৈছিল। তেওঁৱে একমাত্ৰ জনা যি জনে সকলোবিলাক
সৃষ্টি কৰিলে। ১০ইয়াৰ উদ্দেশ্য এয়ে যে স্বৰ্গীয় ঠাই সমূহৰ
সকলোবিলাক আধিপত্য আৰু ক্ষমতা সমূহ এতিয়া
যেন মণ্ডলীৰ দ্বাৰাই জনোৱা হয় তাৰ বাবে তেওঁ বিভিন্ন
উপায়েৰে নিজৰ নিগূঢ়-তত্ব প্ৰকাশ কৰিলে। ১১সময়ৰ
আৰম্ভন হোৱাৰে পৰা ঈশ্বৰে যি পৰিকল্পনা কৰিছিল সেয়ে
ইয়াৰ লগত মিল হৈছে। তেওঁ যি পৰিকল্পনা কৰিছিল তাক
তেওঁ কৰিলে, আৰু তাক তেওঁ আমাৰ প্ৰভু খ্ৰীষ্ট যীচুৰ
দ্বাৰাই কৰিলে। ১২খ্ৰীষ্টত আমি স্বাধীন আৰু দৃঢ় প্ৰত্যয়েৰে
ঈশ্বৰৰ আগলৈ আহিব পাৰো। খ্ৰীষ্টত আমাৰ বিশ্বাস থকা
হেতুকে আমি এনে কৰিব পাৰো। ১৩এতেকে মোলৈ যি
ঘটিছে তাৰ বাবে তোমালোক যেন নিৰুৎসাহ নোহোৱা
এয়ে তোমালোকলৈ মোৰ নিবেদন। মোৰ যি ক্লেশ সেয়া
তোমালোকৰ লাভৰ অৰ্থে,তোমালোকৰ মহিমা আৰু
গৌৰৱৰ অৰ্থে।

### খ্ৰীষ্টৰ প্ৰেম

১৪সেয়ে পিতৃৰ আগত আঁঠু লৈ প্ৰাৰ্থনা কৰো। ১৫স্বৰ্গ আৰু
পৃথিৱীৰ প্ৰতিটো পৰিয়ালে যেন তেওঁৰ পৰা প্ৰকৃত নাম
পায়। ১৬মই পিতৃৰ আগত নিবেদনো কৰোঁ যেন তেওঁৰ
প্ৰতাপৰূপ ধনৰ দ্বাৰাই আত্মাত তোমালোকক শক্তিৱন্ত
কৰে। তেওঁ সেই শক্তি তোমালোকক তেওঁৰ আত্মাৰ
দ্বাৰাই প্ৰদান কৰিব। ১৭তোমালোকৰ বিশ্বাসৰ বাবে খ্ৰীষ্ট
যেন তোমালোকৰ হৃদয়ত নিবাস কৰে এনে প্ৰাৰ্থনা মই
কৰো। মোৰ প্ৰাৰ্থনা এয়ে যেন তোমালোকৰ জীৱন সমূহ
প্ৰেমত শক্তিবন্ত হয় আৰু প্ৰেমত শিপা ধৰাই প্ৰতিষ্ঠিত
হোৱা। ১৮আৰু মই প্ৰাৰ্থনা কৰো যেন তোমালোকে আৰু
ঈশ্বৰৰ সকলো পবিত্ৰ লোকসকলে খ্ৰীষ্টৰ সেই অগম্য
প্ৰেম কেনে বহল, কেনে দীঘল, কেনে ওখ আৰু কেনে
গভীৰ তাক জানিব পাৰা। ১৯জ্ঞানৰ অগম্য যি খ্ৰীষ্টৰ প্ৰেম,
সেই প্ৰেমক যেন তোমালোকে বুজিব পাৰা এয়ে মোৰ
প্ৰাৰ্থনা। তাতে ঈশ্বৰে তোমালোকৰ বাবে ৰখা সকলো
পৰিপূৰ্ণতালৈকে তোমালোক পৰিপূৰ্ণ হবা।

২০আমাৰ অন্তৰত কাৰ্য্য-সাধন কৰোঁতা ঈশ্বৰৰ যি শক্তি,
সেই শক্তি অনুসাৰে আমাৰ যাচনাৰ আৰু বুদ্ধিৰ অতিৰিক্ত
কৰ্ম্ম সাধন কৰিব পাৰে। ২১মণ্ডলীত আৰু খ্ৰীষ্ট যীচুত
সদাসৰ্ব্বদায় পুৰুষানুক্ৰমে তেওঁৰেই মহিমা হওক। আমেন।

### শৰীৰৰ ঐক্যতা

৪ ১এতেকে, প্ৰভুত বন্দীয়াৰ যি মই, মই তোমালোকক
এই মিনতি কৰি কওঁ যে তোমালোক ঈশ্বৰৰ
আমন্ত্ৰিত লোকৰ দৰে যোগ্য আচৰণ কৰা, কিয়নো তেওঁ
তোমালোকক তেওঁৰ হবৰ বাবে মনোনীত কৰিলে।
২সকলো সময়তে নম্ৰ আৰু মৃদুতাৰে থাকিবা। চিৰসহিষ্ণুতা
আৰু প্ৰেমেৰে ইজনে সিজনক গ্ৰহণ কৰা। ৩তোমালোক
পবিত্ৰ আত্মাৰ দ্বাৰাই শান্তিৰ বন্ধনত সংলগ্ন হৈ আছা। শান্তিৰ
বন্ধনত ঐক্য ভাৱে থাকিবৰ বাবে প্ৰয়োজনী সকলোখিনি
তোমালোকে কৰা। ৪শৰীৰ এক আৰু আত্মাও এক, আৰু
সেই দৰে ঈশ্বৰে তোমালোকত এক আশা হবৰ বাবে
মনোনীত কৰিলে। ৫একে দৰে প্ৰভু এক, বিশ্বাস এক, আৰু
বাপ্তিস্মাও এক। ৬একে দৰে ঈশ্বৰ এজনা আৰু আমাৰ
সকলোৰে পিতৃও এজনা, যি জনে সকলোৰে ওপৰত ৰাজত্ব
কৰে। তেওঁ আমাৰ সকলোৰে যোগেদি আৰু সকলোৰে
দ্বাৰা কাৰ্য্যসাধন কৰে। ৭খ্ৰীষ্টই আমাক প্ৰতিজনকে একো
একোটা বিশেষ বৰ দিছে। তেওঁ যাকে যি দিবলৈ ইচ্ছা
কৰিলে সকলোৰে সেই দৰে লাভ কৰিলে। ৮এই হেতুকে
শাস্ত্ৰই কৈছে,

> তেওঁ ওপৰলৈ উঠি,
> বন্দীয়াৰবিলাকক বন্দী কৰি নিলে,
> আৰু মানুহবিলাকক নানা বৰ দিলে। *গীতমালা ৬৮:১৮*

৯বা যেতিয়া কোৱা হৈছে, “তেওঁ ওপৰলৈ উঠি,” ইয়াৰ
অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে যে তেওঁৱে প্ৰথমে পৃথিৱীৰ তল
ভাগলৈ নামি আহিছিল। ১০এতেকে খ্ৰীষ্ট নামি আহিছিল,

আৰু তেওঁৰে সেই জনা যি ওপৰলৈ উঠি গৈছিল।
সকলোকে পূৰ কৰিবৰ অৰ্থে তেওঁৰে সকলো স্বৰ্গৰ ওপৰলৈ
উঠিল। ১১আৰু সেই একে জনা খ্ৰীষ্টই লোকসমূহক এই
বৰ সমূহ প্ৰদান কৰে: তেওঁ কিছুমানক পাঁচনি, কিছুমানক
ভাৱবাদী, কিছুমানক শুভবাৰ্ত্তা প্ৰচাৰক, আৰু কিছুমানক
ৰক্ষক আৰু ঈশ্বৰৰ লোকসকলৰ অৰ্থে শিক্ষক হবলৈ
দিলে।[a] ১২খ্ৰীষ্টই এই বৰ সমূহ ঈশ্বৰৰ পবিত্ৰ লোকসমূহ
পৰিচৰ্যা-কৰ্ম্ম সাধন কৰিবলৈ, খ্ৰীষ্টৰ শৰীৰ শক্তিশালী কৰিবৰ
অৰ্থে দিলে। ১৩আমি যিহত বিশ্বাস কৰিলো আৰু ঈশ্বৰৰ
পুত্ৰ বিষয়ত আমি সকলো সংলগ্ন নোহোৱাৰ পৰ্য্যন্ত এই
পৰিচৰ্যা-কৰ্ম্ম সাধন হৈ থাকিব লাগে। আমাৰ লক্ষ্য হৈছে
পৰিপূৰ্ণতাৰ বয়স লাভ কৰা, সেয়ে হৈছে খ্ৰীষ্টৰ পৰিপূৰ্ণতা
আৰু তেওঁৰ সকলো সিদ্ধতা লাভ কৰা।
১৪তাতে আমি আৰু শিশু হৈ নাথাকিম। সাগৰৰ বতাহত
সদায়ে ইফালে সিফালে নিওঁতা জাহাজৰ দৰে নিওঁতা লোক
নহওঁ। আমাক ভ্ৰান্ত কৰিব পৰা কোনো ধৰণৰ নতুন শিক্ষাত
আকৃষ্ট নহম, যি বিলাকে ধূৰ্ত্ততাৰে আৰু ভ্ৰান্তিৰ কুকল্পনাৰে
চলং পলং কৰোৱায়। ১৫কিন্তু আমি প্ৰেমত সত্যলম্বী হম।
আৰু আমি সকলো বিষয়তে খ্ৰীষ্টৰ উদ্দেশ্যে বৃদ্ধি পাম।
তেওঁৰে মূৰ, ১৬আৰু গোটেই শৰীৰটোৱে তেওঁতে নিৰ্ভৰ
কৰে। শৰীৰৰ প্ৰতিটো অঙ্গ সংলগ্ন হৈ সংযুক্ত হৈছে, আৰু
প্ৰতিটো অঙ্গই নিজ নিজ পৰিমাণ অনুসাৰে কাৰ্য্য-সাধন কৰি
আহিছে। এই হেতুকে গোটেই শৰীৰটোৰ বৃদ্ধি সাধন হয়
আৰু শক্তিশালী কৰে।

## তুমি কেনে আচৰণ কৰিব লাগে

১৭প্ৰভুৰ পৰা পোৱা এক সাক্ষ্য মোৰ তোমালোকক কবলৈ
আছে। মই তোমালোকক সাৱধান কৰোঁ: অবিশ্বাসী সকলৰ
দৰে আচৰণ নকৰিবা। কিয়নো তেওঁবিলাকৰ চিন্তাৰ কোনো
মূল্যনাই। ১৮তেওঁবিলাকে অজ্ঞান, আৰু তেওঁবিলাকে একো
নাজানে কিয়নো তেওঁবিলাকে শুনিবলৈ ইচ্ছা নকৰে।
এই হেতুকে তেওঁবিলাকে ঈশ্বৰে দিয়া জীৱনৰ ভাগী হব
নোৱাৰে। ১৯তেওঁবিলাকৰ লাজ অনুভৱ কৰিব নোৱাৰা হল
আৰু যি অশুচি তাক কৰিবৰ বাবে নিজকে শোধাই দিলে।
তেওঁবিলাকে আৰু অধিকৈ এই সকলো লম্পট আচৰণ
সমূহ কৰিব বিচাৰে। ২০কিন্তু তোমালোক যেতিয়া খ্ৰীষ্টলৈ
আহিলা তেতিয়া তেনে ধৰণৰ বিষয় সমূহ শিকা নাই।
২১মই জানো যে তোমালোকে তেওঁৰ বিষয়ে শুনিছা, আৰু
তেওঁতে সত্যতাৰ শিক্ষা পালা। হয়, সত্য যীচুতহে আছে।
২২পুৰণি আচৰণ সলাবৰ বাবে তোমালোকক শিকোৱা
হৈছিল। ইয়াৰ অৰ্থ হৈছে পূৰ্ব্বতে কৰা অশুচি আচৰণ
সমূহ ত্যাগ কৰা। সেই পুৰণি আচৰণে বেয়াৰ পৰা বেয়ালৈ
লৈ যায়, কিয়নো মানুহে কৰিব বিচৰা অশুচি আচৰণ সমূহে
মানুহবিলাকক মূৰ্খ সাজে। ২৩নিজ নিজ হৃদয় আৰু মনত
তোমালোক নতুন কৰা হব লাগে। ২৪এনে এজন নতুন
পুৰুষ হোৱা যি জনক ঈশ্বৰৰ প্ৰতিমূৰ্ত্তিৰ দৰে সজা হৈছিল,
প্ৰকৃতাৰ্থত উত্তম আৰু তেওঁৰ দৃষ্টিত গ্ৰহণীয়।
২৫এতেকে তোমালোকে মিছা মাতিবলৈ এৰিব লাগে।
"প্ৰতিজনে সদায়ে ইজনে সিজনৰ সৈতে সত্য আলাপ
কৰিব লাগে,"[b] কিয়নো আমি প্ৰতিজনে একেটা শৰীৰৰ
অঙ্গ-প্ৰত্যঙ্গ হৈ আছো। ২৬"তোমালোকৰ যেতিয়া ক্ৰোধ
হয়, সেই ক্ৰোধৰ দ্বাৰাই পাপ হবলৈ নিদিবা,"[c] আৰু
গোটেই দিনটো ক্ৰোধিত হৈ নাথাকিবা। ২৭তোমাক পৰাজয়
কৰিবৰ বাবে চয়তানক ঠাই নিদিবা। ২৮যি জনে চুৰ কৰি
আহিছে তেওঁ আৰু চুৰ নকৰক কিন্তু কাম কৰিবলৈ আৰম্ভ
কৰক। তেওঁবিলাকে নিজ নিজ হাত কোনো ভাল কাৰ্য্যৰ
বাবে ব্যৱহাক কৰিব লাগে। তাতে অভাৱত পৰা লোক
সকলক কিছু সহায় কৰিবলৈ তেওঁবিলাক সমৰ্থ হব।
২৯তোমালোকে যেতিয়া আলাপ কৰা, তেতিয়া
তোমালোকৰ মুখৰ পৰা বেয়া কথা নোলাওক। কিন্তু মানুহৰ
প্ৰয়োজনমতে ভাল কথা ওলাওক যিয়ে তেওঁবিলাক বৃদ্ধি
পোৱাত সহায় কৰিব। তাতে তুমি কোৱা কথা যি জনে
শুনিব সেয়ে তেওঁৰ বাবে আশীৰ্ব্বাদৰ কাৰণ হব। ৩০কিন্তু
পবিত্ৰ আত্মাক অসন্তুষ্ট নকৰিবা। তুমি যে তেওঁৰ হয় আৰু
মুক্তিৰ দিনলৈকে তেওঁ তোমাক সুৰক্ষিত ৰাখিবৰ তাৰ
প্ৰমাণ স্বৰূপে ঈশ্বৰে তোমালোকক আত্মা দান কৰিলে।
৩১কটু-বাক্য, খং বা নিন্দা এই সকলো তোমালোকৰ পৰা দূৰ
হওঁক। ক্ৰোধ কৰি বা আনে আঘাত পোৱাকৈ কোনো কথা
নকবা। কেতিয়াও কোনো ধৰণৰ বেয়া কাৰ্য্য তোমালোকে
নকৰিবা। ৩২তোমালোক পৰস্পৰে হিতকাৰী আৰু কোমাল
চিত্তৰ লোক হোৱা। ঈশ্বৰে খ্ৰীষ্টত তোমালোকক যেনেকৈ
ক্ষমা কৰিলে, তেনেকৈ তোমালোকেও পৰস্পৰে ক্ষমা
কৰা।

৫ ১তোমালোক ঈশ্বৰৰ প্ৰিয় সন্তানবোৰৰ নিচিনা,
সেয়েহে তেওঁৰ অনুকাৰী হবলৈ চেষ্টা কৰা।
২তোমালোকে প্ৰেম আচৰণ কৰা। খ্ৰীষ্টে যেনেকৈ আমাক
প্ৰেম কৰিলে তোমালোকেও তেনে দৰে আনক প্ৰেম
কৰা।সুগন্ধীময় বলি স্বৰূপে, তেওঁ আমাৰ বাবে নিজকে
উৎসৰ্গা কৰিলে।
৩তোমালোকৰ মাজত ব্যভিচাৰ মূলক কোনো পাপ
নাথাকক। ইয়াৰ বাজে তোমালোকৰ মাজত কোনো অশুচি
বা অধিকৈ হাবিয়াহ কৰা এনে মনোভাৱ নাথাকক, কিয়নো
ঈশ্বৰৰ পবিত্ৰ লোকসকলৰ বাবে এনে আচৰণ উচিত নহয়।
৪লগতে, তোমালোকৰ মাজত উন্মত্ত বলকনি নহওক।
খেঁজেলিওৱা বা অনুচিত কথা নকবা। এনে বিষয় সমূহ
তোমালোকৰ বাবে নহয়। বৰং ঈশ্বৰলৈ ধন্যবাদহে হওঁক।
৫তোমালোকে নিশ্চয়কৈ জানিবা যে খ্ৰীষ্টৰ আৰু ঈশ্বৰৰ
ৰাজ্যত যে কোনো ব্যভিচাৰীৰ বা অশুচি লোকৰ, বা স্বাৰ্থপৰ
লোক যিয়ে নিজলৈ অধিক পাবৰ বাবে হাবিয়াহ কৰা লোকৰ
স্থান নাই। তেনে আচৰণৰ লোক লুভীয়া দেৱপূজকৰ দৰে।

[a] ***৪:১১* লোকবিলাকক … প্ৰতিপালন কৰা আখিৰক অৰ্থত "প্ৰতিপালক আৰু শিক্ষক।"**

[b] ***৮:২৫*** জখৰিয়া ৮:১৬

[c] ***৪:২৬*** গীতমালা ৪:৪ (গ্ৰীক লিপি)

৬অনৰ্থক বাক্যৰ দ্বাৰাই তোমালোকক ভুলাবলৈ নিদিবা। কিয়নো যেতিয়া তেওঁৰ অবাধ্য সন্তান বিলাকে তেনে কথা কয় ঈশ্বৰৰ ক্ৰোধ তেওঁবিলাক ওপৰলৈ আহে। ৭এতেকে তোমালোক তেওঁবিলাকৰ সহভাগী নহবা। ৮পূৰ্ব্বে তোমালোক আন্ধাৰ আছিলা, কিন্তু এতিয়া প্ৰভুত পোহৰ হৈছা। এতেকে পোহৰৰ সন্তানবিলাকৰ দৰে আচৰণ কৰা। ৯এই পোহৰে সকলো প্ৰকাৰৰ উত্তমতা, ধাৰ্ম্মিকতাপূৰ্ণ জীৱন, আৰু সত্য প্ৰকাশিত কৰে। ১০প্ৰভুৰ সন্তোষজনক কি তাক শিকিবলৈ যত্ন কৰা। ১১আন্ধাৰৰ লোক সকলে কৰা কৰ্ম্মৰ সহভাগী নহবা, সেইবোৰে কোনো ভাল উৎপন্ন কৰিব নোৱাৰে। বৰং, সেয়ে কেনে বেয়া তাক সকলোকে কোৱা। ১২প্ৰকৃতাৰ্থত কবলৈ গলে, তেওঁবিলাকে গুপুতে যি যি কৰে, তাক কবলৈকো লাজ। ১৩পাছে সেই বিষয় সমূহ কেনে বেয়া তাক পোহৰে স্পষ্টকৈ প্ৰকাশ কৰে।

১৪হয়, পোহৰে সকলোকে স্পষ্টকৈ প্ৰকাশ কৰে। এই কাৰণে আমি কওঁ,

"হে টোপনিওৱা জন,
সাৰ পোৱা আৰু মৃতবিলাকৰ মাজৰ পৰা উঠা,
তাতে খ্ৰীষ্টে তোমাক পোহৰ দিব।"

১৫এতেকে কি দৰে চলা তালৈ সাৱধান। অজ্ঞানৰ দৰে নহয়, জ্ঞানীৰ দৰে চলিবা। ১৬মই কব বিচাৰিছো যে তোমালোকে ভাল কৰ্ম্ম কৰিবলৈ মন কৰি প্ৰতিটো সুযোগ গ্ৰহণ কৰিব লাগে, কিয়নো এই কাল মন্দ। ১৭এতেকে তোমালোক নিৰ্ব্বোধ নহবা, কিন্তু প্ৰভুৰ ইচ্ছা কি তাক জ্ঞাত হোৱা। ১৮দ্ৰাক্ষাৰসেৰে মতলীয়া নহবা, ই তোমাৰ জীৱন নষ্ট কৰিব, কিন্তু আত্মাৰে পৰিপূৰ্ণ হোৱা। ১৯ধৰ্ম্মগীত, স্তুতি-গীত আৰু আত্মিক গানেৰে পৰস্পৰে পৰস্পৰক উদগোৱা। আৰু প্ৰভুৰ উদ্দেশ্যে তোমালোকৰ হৃদয়েৰে গান আৰু বাদ্য কৰা। ২০আৰু সদায়ে সকলো বিষয়ৰ কাৰণে, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰা।

### ভাৰ্য্যা আৰু স্বামী সকল

২১খ্ৰীষ্টৰ সন্মানৰ অৰ্থে ইজনে সিজনৰ সেৱা কৰিবলৈ আগ্ৰহী হোৱা।

২২ভাৰ্য্যবিলাক, প্ৰভুৰ দৰে তোমালোকেও নিজ নিজ স্বামীবিলাকৰ সেৱা কৰিবলৈ আগ্ৰহী হোৱা। ২৩যি দৰে খ্ৰীষ্ট মণ্ডলীৰ মূৰ স্বৰূপ, একে দৰে স্বামী হৈছে ভাৰ্য্যবিলাকৰ মূৰ। খ্ৰীষ্ট হৈছে মণ্ডলীৰ ত্ৰাণকৰ্ত্তা, যিটো তেওঁৰ শৰীৰ হয়। ২৪মণ্ডলী খ্ৰীষ্টৰ বশীভূত হৈ পৰিচৰ্যা আগবঢ়ায়, সেইয়ে একে দৰে ভাৰ্য্যাসকলেও কৰিব লাগে। তোমালোকেও সকলো বিষয়তে স্বামীৰ বশীভূত হৈ সেৱা কৰিবলৈ আগ্ৰহী হব লাগে।

২৫স্বামীবিলাক, খ্ৰীষ্টে যেনেকৈ মণ্ডলীক প্ৰেম কৰিলে আৰু নিজকে তাৰ কাৰণে শোধাই দিলে, তেনেকৈ নিজ নিজ ভাৰ্য্যাক প্ৰেম কৰা। ২৬মণ্ডলীক পবিত্ৰ কৰিবৰ অৰ্থে তেওঁ মৃত্যুক সাৱটি ললে। তেওঁ শুভবাৰ্ত্তা কৈ মণ্ডলীক পবিত্ৰ কৰিবৰ অৰ্থে পানীৰ দ্বাৰাই ধৌত কৰালে। ২৭কন্যাই তাইৰ সকলো সৌন্দৰ্য্যৰ দ্বাৰাই নিজকে সমৰ্পিত কৰাৰ দৰে মণ্ডলীও যেন তেওঁত সমৰ্পিত হব, তাৰ বাবে খ্ৰীষ্টে আপোন প্ৰাণ দিলে। তেওঁ মৰিলে যাতে মণ্ডলী পবিত্ৰ আৰু নিষ্কলঙ্ক হয়, আৰু তাত একো বেয়া বা পাপ বা আন কোনো ধৰণৰ ঘুণ নাথাকে।

২৮আৰু একে দৰে স্বামীবিলাকে নিজ নিজ ভাৰ্য্যাক প্ৰেম কৰিব লাগে। নিজ নিজ শৰীৰক প্ৰেম কৰাৰ দৰে তেওঁবিলাকে নিজ নিজ ভাৰ্য্যাক প্ৰেম কৰিব লাগে। যি পুৰুষে নিজ ভাৰ্য্যাক প্ৰেম কৰে তেওঁ নিজকে প্ৰেম কৰে। ২৯কিয়নো কোনোৱে নিজ শৰীৰক কেতিয়া ঘিণ নকৰে, কিন্তু ইয়াৰ বাবে আহাৰ যোগায় আৰু প্ৰতিপালন কৰে। আৰু খ্ৰীষ্টেও মণ্ডলীক সেই দৰে কৰে। ৩০কিয়নো আমি তেওঁৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ হয়। ৩১শাস্ত্ৰত কৈছে, "এই কাৰণে মানুহে পিতৃ-মাতৃক এৰি, নিজ তিৰোতাত আসক্ত হব, আৰু দুয়ো এক দেহ হব।"[a] ৩২এই নিগূঢ় তত্ব অতি গুৰুত্বৰ, মই খ্ৰীষ্ট আৰু মণ্ডলীৰ প্ৰসঙ্গত কৈ আছো। ৩৩তথাপি তোমালোক প্ৰতিজনে নিজ নিজ ভাৰ্য্যাক সেই দৰে নিজৰ নিচিনাকৈ প্ৰেম কৰিবা। আৰু ভাৰ্য্যাই নিজৰ স্বামীক সন্মান কৰিব লাগে।

### সন্তানবিলাক আৰু পিতৃ-মাতৃ সকল

৬ ১হে সন্তানবিলাক, প্ৰভুত তোমালোক পিতৃ-মাতৃৰ আজ্ঞাধীন হোৱা, কিয়নো এয়ে উচিত। ২আজ্ঞাত এনেদৰে কৈছে, "নিজৰ পিতৃ-মাতৃক সন্মান কৰা।"[b] এই প্ৰথম আজ্ঞাৰ লগত প্ৰতিজ্ঞাও আছে। ৩আৰু সেই প্ৰতিজ্ঞাটো হৈছে: "তেহে তোমাৰ কল্যান হব, আৰু দেশত দীৰ্ঘায়ূ হবা।"[c]

৪হে পিতৃবিলাক, তোমালোকে নিজ নিজ সন্তানবিলাকক খং নোতোলাবা, প্ৰভুত তোমালোকে যেনে শিক্ষা আৰু চেতনা পালা তেনে দৰে তেওঁবিলাকক প্ৰতিপালন কৰা।

### দাস আৰু প্ৰভু সকল

৫হে দাসবিলাক, ভয় আৰু সন্মানেৰে পৃথিৱীত থকা তোমালোকৰ প্ৰভু সকলৰ বাধ্য হোৱা। আৰু তোমালোক যেনেকৈ খ্ৰীষ্টৰ, তেনেকৈ হৃদয়ৰ সৰলতাৰে তাক কৰা। ৬তোমালোকে ইয়াক কেৱল নিজ নিজ প্ৰভু সকলৰ চকুৰ আগতহে এনে কৰিবা তেনে নহওঁক, কিন্তু সকলো সময়তে তেনে কৰিবা। যিহেতু তোমালোক প্ৰকৃততে খ্ৰীষ্টৰ দাস হোৱা, তোমালোকে ইয়াক ঈশ্বৰে বিচৰা ধৰণে সম্পূৰ্ণ হৃদয়েৰে কৰিবা। ৭নিজ নিজ দাস্য কৰ্ম্ম কৰা, আৰু আনন্দেৰে তাক কৰা। এনেকৈ কৰা যেন প্ৰভুৰ উদ্দেশ্যেহে তোমালোকে ইয়াক কৰিছা, পৃথিৱীৰ প্ৰভু সকলৰ বাবে নহয়। ৮আৰু মনতৰাখিবা তোমালোকে কৰা ভাল কাৰ্য্যৰ

[a] **৫:৩১** আদিপুস্তক ২:২৪
[b] **৬:২** যাত্ৰাপুস্তক ২০:১২, দ্বিতীয়বিৱৰণ ৫:১৬
[c] **৬:৩** যাত্ৰাপুস্তক ২০:১২, দ্বিতীয়বিৱৰণ ৫:১৬

কাৰণে প্ৰভুৱে প্ৰতিজনকে পুৰস্কৃত কৰিব। প্ৰতিজনে, দাস
হওক বা স্বাধীন হওক, প্ৰতিজনে যি সৎকৰ্ম কৰিলে তাৰ
ফল তেওঁবিলাকে পাব।
৯একে দৰে হে প্ৰভুবিলাক, নিজ নিজ দাস সকললৈ
ভাল ব্যৱহাৰ কৰা। তেওঁবিলাকক ভিতিগ্ৰস্থ কৰিবলৈ
কোনো কথা নকবা। তোমালোকে জানা যে স্বৰ্গত থকা
তোমালোকৰ আৰু তেওঁবিলাকৰো যি প্ৰভু, তেওঁত একো
পক্ষপাত নাই।

### ঈশ্বৰৰ ধৰ্ম্মযুদ্ধৰ আটাই সাজ পিন্ধা

১০পত্ৰ শেষত মই তোমালোকক কওঁ, প্ৰভুত আৰু তেওঁৰ
শক্তিৰ পৰাক্ৰমত বলৱন্ত হোৱা। ১১ঈশ্বৰৰ ধৰ্ম্ম যুদ্ধৰ
আটাই সাজ পিন্ধা। চয়তানৰ নানাবিধ কুকল্পনাৰ সন্মূখত
থিৰে থাকিবলৈ সমৰ্থ হবৰ কাৰণে, ঈশ্বৰৰ ধৰ্ম্ম যুদ্ধৰ আটাই
সাজ পিন্ধা। ১২কিয়নো আমাৰ যুদ্ধ পৃথিৱীৰ লোকসমূহৰ
বিৰুদ্ধে নহয়। কিন্তু আধিপত্য, ক্ষমতা আৰু এই অন্ধকাৰৰ
জগতপতিৰ বিৰুদ্ধে আমাৰ যুদ্ধ, সেই স্বৰ্গীয় ঠাইবোৰত
দুষ্টতাৰ আত্মিক দলবোৰে সৈতে হৈছে। ১৩এই হেতুকে,
তোমালোকক ঈশ্বৰৰ আটাই অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োজন। তাতে
মন্দ দিনক তোমালোকে প্ৰতিৰোধ কৰিবলৈ সমৰ্থ হবা আৰু
যেতিয়া তোমালোকে আটাই যুদ্ধ সম্পূৰ্ণ কৰিবা, তেতিয়া
তোমালোকে নিজকে থিৰে থকা দেখিবলৈ পাবা। ১৪এই
হেতুকে সত্যতাৰে কাঁকাল বান্ধি, আৰু ধাৰ্ম্মিকতাৰ বুকুবৰি
পিন্ধি শাক্তিশালী হিচাবে থিয় হোৱা। ১৫আৰু নিজকে
শক্তিশালী ৰূপে থিয় হৈ থাকিবৰ বাবে তোমাৰ ভৰিত
শান্তিৰ শুভবাৰ্ত্তাৰ জোতা পিন্ধা। ১৬ইয়াৰ লগতে পাপ-
আত্মাৰ আটাই অগ্নি-শৰ নুমাবৰ আৰ্থে বিশ্বাসৰ ঢাল ব্যৱহাৰ
কৰা। ১৭ঈশ্বৰৰ পৰিত্ৰাণক নিজৰ টকয়া হিচাপে গ্ৰহণ কৰা।
আৰু আত্মাৰ তৰোৱাল লোৱা, আৰু সেই তৰোৱাল হৈছে
ঈশ্বৰ সম্বন্ধীয় শিক্ষা। ১৮সকলো সময়তে আত্মাত প্ৰাৰ্থনা
কৰা। সকলো প্ৰকাৰৰ প্ৰাৰ্থনা সমূহ কৰা, আৰু তোমাৰ
প্ৰয়োজনীয় সকলোবোৰ বিষয় বিচৰা। আৰু ইয়াৰ বাবে
তুমি সকলো সময়তে প্ৰস্তুত হৈ থাকিবা। কাহানিও হাৰ
নামানিবা। পবিত্ৰ লোকসকলৰ বাবে সকলো সময়তে
প্ৰাৰ্থনা কৰি থাকিবা।
১৯লগতে মোৰ কাৰণেও প্ৰাৰ্থনা কৰিবা, যাতে মই
যেতিয়া কথা কবলৈ মূখ মেলো, যাতে উপযুক্ত বাক্য
ঈশ্বৰে মোক দিয়ে যাৰ দ্বাৰাই মই শুভবাৰ্ত্তাৰ নিগূঢ়
তত্ব সাহেৰে ঘোষণা কৰিব পাৰো। ২০শুভবাৰ্তা ঘোষণা
কৰাৰ পৰিচৰ্যাৰ ভাৰ মোৰ ওপৰত আছে, আৰু এতিয়া
বন্দীশালতো মই তাকে কৰি আছো। মই যেন সদায়
সাহেৰে শুভবাৰ্ত্তা লোকসমূহৰ আগত ঘোষণা কৰিব পাৰো
ইয়াৰ বাবে তোমালোকে মোৰ বাবে প্ৰাৰ্থনাত থাকিবা।

### শেষ কথা

২১আমাৰ মৰমৰ ভাই তুখিক, তোমালোকৰ কাষলৈ
পঠিয়াইছো। তেওঁ এজন প্ৰভুৰ বিশ্বাসী পৰিচাৰক। মোৰ
লগত হৈ থকা ঘটনাবোৰৰ বিষয়ে তেওঁৰে তোমালোকক
সকলো জনাব। তাতে মই কেনে আছো আৰু কি কৰি
আছো সেই সকলো কথা তোমালোকে জানিবা। ২২এই
আশয়েৰে মই তেওঁক তোমালোকৰ ওচৰলৈ পঠিয়াইছো,
যাৰ দ্বাৰাই তোমালোকে আমাৰ বিষয়ে জানিবলৈ পোৱা,
তেওঁ যেন তোমালোকৰ হৃদয়ত আশ্বাস দিয়ে।
২৩পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা, ভাই ও
ভনীবিলাকলৈ শান্তি আৰু বিশ্বাসৰ সহিত প্ৰেম হওক,
এয়ে মোৰ প্ৰাৰ্থনা। ২৪যিবিলাকে আমাৰ প্ৰভু যীচু খ্ৰীষ্টক
অক্ষয়তাৰে প্ৰেম কৰে, সেই সকলোৰে লগত অনুগ্ৰহ
হওক।